# “ESIC ৰ অটল বীমিত ব্যক্তি কল্যাণ যোজনা (ABVKY)”
## এটা পৰিচিতি



## কৰ্মীসকলৰ মৰ্য্যাদা সুৰক্ষিত কৰি
## তেওঁলোকৰ বিত্তীয় নিৰাপত্তা সুনিশ্চিত কৰি

সত্যমেৱ জয়তে
শ্ৰম আৰু কৰ্মসংস্থান মন্ত্ৰালয়
ভাৰত চৰকাৰ

কৰ্মচাৰী ৰাজ্য বীমা নিগম

**অটল বীমিত ব্যক্তি কল্যাণ যোজনা (ABVKY):** এইখন যোজনা হ'ল ESI অধিনিয়ম, 1948 ৰ ধাৰা 2(9) ৰ অধীনত সামৰি লোৱা কৰ্মচাৰীসকলৰ বাবে, জীৱনকালত এবাৰৰ বাবে 90 দিন পৰ্য্যন্ত সকাহ প্ৰদানকাৰী ধনাদায়ৰ ৰূপত ESIC ৰ দ্বাৰা প্ৰশাসিত হৈ থকা এটা কল্যাণকাৰী ব্যৱস্থা। প্ৰথমতে দুবছৰৰ এছোৱা কালৰ বাবে পৰীক্ষামূলক ভিত্তিত 01-07-2018 তাৰিখৰপৰা কাৰ্য্যকৰী হোৱাকৈ এই যোজনাৰ শুভাৰম্ভ কৰা হৈছিল। এতিয়া এই যোজনাখনৰ ম্যাদ, আৰু এবছৰৰ বাবে অৰ্থাৎ 1 জুলাই, 2020 ৰ পৰা 30 জুন, 2021 লৈকে সম্প্ৰসাৰিত কৰা হৈছে। লগতে যোগ্যতাৰ চৰ্তাৱলীৰ শিথিলকৰণসহিতে এই যোজনাৰ অধীনত দিয়া সকাহ পূৰ্বৰ হাৰ বেতনৰ 25% ৰপৰা বঢ়াই 50% কৰিবলৈয়ো সিদ্ধান্ত লোৱা হৈছে, অৱশ্যে এনে বৃদ্ধি তেতিয়াহে প্ৰযোজ্য হ'ব যদিহে বীমাকৃত ব্যক্তিগৰাকী তেওঁৰ কৰ্মসংস্থানহীনতাৰ ঠিক আগতে দুবছৰৰ এটা ন্যূনতম অৱধিৰ বাবে বীমাযোগ্য কৰ্মসংস্থানত থাকে আৰু তেওঁ যদি কৰ্মসংস্থানহীনতাৰ ঠিক আগতে বৰঙণি অৱধিত 78 দিনতকৈ কম নোহোৱা এছোৱা কালৰ বাবে বৰঙণি আগবঢ়াইছে আৰু কৰ্মসংস্থানহীনতাৰ আগৰ দুবছৰৰ তিনিটা অৱশিষ্ট বৰঙণি অৱধিৰ কোনোবা এটাত ন্যূনতম 78 দিনৰ বাবে বৰঙণি আগবঢ়াইছে।

এটা গুৰুত্বপূৰ্ণ শিথিলকৰণ মৰ্মে, সকাহমূলক এই ধন আদায়ৰ যোগ্য হ'ব কৰ্মসংস্থানহীনতাৰ তাৰিখৰপৰা 30 দিনৰ পাছত আৰু কৰ্মীগৰাকীয়ে এই সন্দৰ্ভত তেওঁৰ দাবী ESIC ৰ নিৰ্ধাৰিত শাখা কাৰ্য্যালয়ত পোনে পোনে দাখিল কৰিব পাৰিব। 24 মাৰ্চ 2020 ৰ পৰা 31 ডিচেম্বৰ 2020 লৈকে এই কালছোৱাৰ বাবে সংবৰ্ধিত হিতাধিকাৰ আৰু শিথিল হোৱা চৰ্তাৱলী প্ৰযোজ্য হ'ব। ডাকযোগে বা নিজে গৈ ESIC ৰ নিৰ্ধাৰিত শাখা কাৰ্য্যালয়ত এখন শপতনামা, আধাৰ কাৰ্ডৰ ফটোকপি আৰু বেংক একাউণ্টৰ বিস্তৃত বিৱৰণসহিতে ভৌতিক দাবী দাখিল কৰি উঠি, এই সকাহ পাবলৈ অনলাইন দাবীও কৰিব পৰা যায় www.esic.in এই ৱেবছাইটত। এই দাবীৰ সত্যাপন আৰু বীমাকৃত ব্যক্তিৰ (IP) বেংক একাউণ্টত ধনাদায়ৰ এই গোটেই প্ৰক্ৰিয়াটো 15 দিনৰ এছোৱা কালৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

## অটল বীমিত ব্যক্তি কল্যাণ যোজনাৰ অধীনত

**কৰ্মীসকলৰ বাবে সাহায্যৰ ধনৰাশি এতিয়া দুগুণ কৰা হৈছে**

**কৰ্মীৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ ক্ৰেডিট**

**যোগ্যতাৰ নিৰ্ণায়কসমূহত কৰা শিথিলকৰণ**

**কৰ্মীসকলে অনলাইন আবেদন কৰিব পাৰে ইয়াত www.esic.in**

## ‘‘অটল বীমিত ব্যক্তি কল্যাণ যোজনা (ABVKY)’’ ৰ বিষয়ে ‘‘ঘনাই সোধা প্ৰশ্নবোৰ’’ আৰু সিবিলাকৰ উত্তৰ

| ক্ৰ. সং. | প্ৰশ্ন | উত্তৰ |
|---|---|---|
| 1 | কৰ্মসংস্থানহীনতাৰ সংজ্ঞাৰ অধীনত সেইসকল বীমাকৃত ব্যক্তিক (IPs) সামৰি লোৱা হয়নে যিসকলে লকডাউনৰ কালছোৱাত তেওঁলোকৰ নিয়োগকৰ্তাৰপৰা বেতন পোৱা নাছিল আৰু যিসকলৰ বৰঙণি 0 (শূন্য) বুলি দেখুওৱা হৈছে? | নহয়। |
| | ESIC চালান তালিকাৰপৰা IPs ৰ নাম আঁতৰ কৰাটো নিয়োগকৰ্তাৰ বাবে বাধ্যতামূলক নেকি? কাৰণ বেছিভাগ ক্ষেত্ৰতে কৰ্মীসকলৰ বৰঙণি ‘‘0’’ বুলি দেখুওৱা হৈছে আৰু সেয়েহে তেওঁলোক অযোগ্য বিবেচিত হয়। | এই যোজনাৰ অধীনত দিয়া সকাহ কেৱল সেইসকল IPs ৰ বাবেহে লভ্য হ’ব যিসকল কৰ্মসংস্থানহীন হৈ পৰিছে। এগৰাকী IP কেৱল তেতিয়াহে কৰ্মসংস্থানহীন বুলি বিবেচিত হ’ব যেতিয়া তেওঁৰ নিয়োগকৰ্তাই মাহেকীয়া বৰঙণি চালানত তেওঁক প্ৰস্থান কৰা বুলি দেখুৱায়। যদিহে নিয়োগকৰ্তাই মাহেকীয়া বৰঙণি চালানত সেইগৰাকী IP ৰ বাবে ‘‘0’’ বৰঙণি বুলি দেখুৱায়, তেন্তে ইয়াৰ অৰ্থ হ’ব এইটো যে সেইগৰাকী IP তেতিয়াও নিযুক্ত হৈ আছে আৰু নিয়োগকৰ্তাই এইসকল কৰ্মচাৰীক কিছু ধন আদায় দিব পাৰে আৰু সেয়েহে এনে কৰ্মচাৰীসকল এইখন যোজনাৰ অধীনত সকাহ লাভ কৰাৰ বাবে যোগ্য নহ’ব। |
| 2 | এইখন যোজনাই সেইসকল বীমাকৃত ব্যক্তিক (IPs) সামৰি লয়নে যিসকল লকডাউনৰ কালছোৱাত কৰ্মসংস্থানহীন হৈছিল কিন্তু এতিয়া কাম কৰি আছে? | এনে ধৰণৰ কৰ্মচাৰীসকলে, যদি যোগ্যতাৰ প্ৰয়োজনীয় চৰ্তাৱলী সিদ্ধ কৰে তেন্তে তেওঁলোক এইখন যোজনাৰ অধীনত সকাহ লাভ কৰাৰ বাবে যোগ্য হ’ব। কিন্তু দাবীয়ে সামৰি লোৱা কালছোৱাত দাবীদাৰ কৰ্মসংস্থানহীন হৈ থাকিবই লাগিব। |
| 3 | কৰ্মসংস্থানহীনতাৰ প্ৰথম 30 দিনৰ ভিতৰত এইখন যোজনাৰ অধীনত দাবীদাৰ গৰাকীয়ে দাবী দাখিল কৰিব নোৱাৰে। | দাবীদাৰ গৰাকীয়ে কৰ্মসংস্থানহীন হোৱাৰ (অৰ্থাৎ নিয়োগকৰ্তাই প্ৰস্থান কৰা বুলি দেখুৱালে) 30 দিনৰ পাছত সকাহৰ বাবে দাবী দাখিল কৰিব পাৰে। দাবীদাৰ গৰাকীয়ে তেওঁৰ কৰ্মসংস্থানহীনতাৰ এটা সম্পূৰ্ণ মাহৰ ঠিক পাছতেই দাবী দাখিল কৰিব পাৰে। |
| 4 | এই প্ৰণালীয়ে দাবী সৃষ্টি কৰিলেই সেইটো এইখন যোজনাৰ অধীনত ধনাদায়ৰ নিশ্চয়তা হ’বনেকি? আনকি এই প্ৰণালীয়ে দাবী সৃষ্টিত অনুমতি দিয়াৰ পাছতো এই দাবী অগ্ৰাহ্য কৰিব পৰা যায়নে? | এই প্ৰণালীয়ে দাবী সৃষ্টি কৰাটো এইখন যোজনাৰ অধীনত ধনাদায়ৰ নিশ্চয়তা নহয়। নিয়োগকৰ্তাৰ অভিলেখসমূহৰ সৈতে মিলাই চাই শাখা কাৰ্য্যালয়ৰ মেনেজাৰে কৰা এই দাবীৰ সত্যাপনৰ সময়ত যদি দাবীদাৰগৰাকীক অযোগ্য পোৱা যায়, তেন্তে শাখা কাৰ্য্যালয়ৰ মেনেজাৰে এই দাবী অগ্ৰাহ্য কৰিব পাৰে, অৱশ্যে এনে ঘটনা বিৰল হোৱা উচিত। |

| ক্র. সং. | প্ৰশ্ন | উত্তৰ |
|---|---|---|
| 5 | সেৱানিবৃত্তিৰ বয়স কি? | আইন অনুসাৰে এটা কোম্পানীয়ে লোৱা নীতি অনুসাৰে, যিকোনো বীমাকৃত ব্যক্তিৰ সেৱানিবৃত্তিৰ বয়স কোম্পানীভেদে বেলেগ বেলেগ হ'ব পাৰে। ESI অধিনিয়মৰ ধাৰা 56 ৰ ব্যাখ্যা অনুসাৰে সেৱানিবৃত্তিৰ বয়স ষাঠি বছৰ বুলি ধৰিব পৰা যায়। |
| 6 | এইটো এটা সাধাৰণ পৰিঘটনা যে কৰ্মচাৰীসকলে তেওঁলোকৰ চাকৰি এৰিবলৈ কোম্পানীৰপৰা পদত্যাগ কৰিব খোজা বুলি পত্ৰ দাখিল কৰে। চাকৰি এৰিবলৈ নিজৰ পদত্যাগ পত্ৰ দাখিল কৰা সেইসকল কৰ্মচাৰী ABVKY ৰ অধীনত সকাহ লাভ কৰিবলৈ যোগ্য হ'বনে? | সেইসকল কৰ্মচাৰী, যিসকলে তেওঁলোকৰ পদত্যাগ পত্ৰ দাখিল কৰিছে তেওঁলোকক কৰ্মসংস্থানহীন বুলি বিবেচনা কৰা হ'ব আৰু আনধৰণে যদি তেওঁলোক যোগ্য তেন্তে এইখন যোজনাৰ অধীনত তেওঁলোকক সকাহৰ ধনাদায় কৰিব পৰা যায় যদিহে নিয়োগকৰ্তাই তেওঁলোকক পদত্যাগ/চাকৰি এৰাৰ সময়ত কোনো ব্যয় সংকোচন হিতাধিকাৰ/আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰা নাই। |
| 7 | ABVKY ৰ অধীনত কৰ্মচাৰীসকলক ক্ষতিপূৰণ দিয়াৰ বাবে লকডাউন (এটা চৰকাৰী আদেশৰদ্বাৰা নিয়োগকৰ্তাক অস্থায়ীভাৱে কাম বন্ধ কৰিবলৈ বাধ্য কৰোৱা) এটা অৰ্হতানিৰ্ণয়কাৰী কাৰক হ'ব পাৰেনে নোৱাৰে। | নোৱাৰে। লকডাউন বা লকআউটৰ ক্ষেত্ৰত ABVKY ৰ অধীনত সকাহ দিয়াটো অনুমতিযোগ্য নহয় কাৰণ লকআউট/লকডাউনৰ কালছোৱাত নিয়োগকৰ্তাই কৰ্মচাৰীসকলক দিয়া নিযুক্তি অব্যাহত ৰাখে। |
| 8 | দাবীৰ সত্যাপনৰ সময়ত শাখাৰ মেনেজাৰৰদ্বাৰা কৰ্মচাৰীগৰাকীক তেওঁৰ কৰ্মসংস্থানহীনতাৰ সন্দৰ্ভত অনুসন্ধান কৰা হ'বনেকি আৰু তেওঁৰ কৰ্মসংস্থানহীনতাৰ সন্দৰ্ভত কৰ্মচাৰীগৰাকীৰপৰা কিবা ঘোষণা লোৱা হ'বনেকি। | কৰ্মচাৰীগৰাকীৰপৰা (কৰ্মসংস্থানহীন প্ৰাক্তন-IP) কোনো ঘোষণা প্ৰাপ্ত কৰা নহ'ব। কৰ্মচাৰীগৰাকীক অনুসন্ধান কৰাটোও এৰাই চলিব লাগিব। সত্যাপনৰ কালছোৱাত প্ৰাক্তন-IP গৰাকীৰ সন্দৰ্ভত আটাইবোৰ প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হ'ব নিয়োগকৰ্তাৰপৰা। |
| 9 | সত্যাপনৰ কালছোৱাত নিয়োগকৰ্তাই দেখুৱাব যে কৰ্মচাৰীগৰাকীয়ে চাকৰি এৰি দিছে বা পদত্যাগ পত্ৰ দাখিল কৰিছে বা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিছে। | কৰ্মচাৰীসকলক কৰ্মসংস্থানহীন বুলি বিবেচনা কৰা হ'ব, আৰু আন ধৰণে যদি তেওঁলোক যোগ্য হয় তেন্তে এইখন যোজনাৰ অধীনত তেওঁলোকক সকাহৰ ধনাদায় কৰিব পৰা যায় যদিহে নিয়োগকৰ্তাই তেওঁলোকক পদত্যাগ/চাকৰি এৰাৰ সময়ত কোনো ব্যয় সংকোচন হিতাধিকাৰ/আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰা নাই। |
| 10 | কৰ্মসংস্থানহীন কৰ্মচাৰীগৰাকীৰ সন্দৰ্ভত যদি EPF বৰঙণিৰ ধনাদায় কৰা হৈছে, তেন্তে কৰ্মচাৰীগৰাকীক কৰ্মসংস্থানহীন বুলি বিবেচনা কৰা হ'বনে নহয়। | নহয়।<br>যদি সত্যাপনৰ কালছোৱাত এই কথা গম পোৱা যায় যে কৰ্মচাৰীগৰাকীৰ সন্দৰ্ভত EPF বৰঙণিৰ ধনাদায় কৰা হৈছে, তেন্তে কৰ্মচাৰীগৰাকীক কৰ্মসংস্থানহীন বুলি বিবেচনা কৰা নহ'ব। |

**অধিক তথ্যৰ বাবে, ESIC শাখাৰ সৈতে 1800112526 বা শুল্কবিহীন নম্বৰত যোগাযোগ কৰক**

সত্যমেৱ জয়তে
শ্ৰম আৰু কৰ্মসংস্থান মন্ত্ৰালয়
ভাৰত চৰকাৰ
www.facebook.com/labourministry
@labourministry

কৰ্মচাৰী ৰাজ্য বীমা নিগম
www.facebook.com/esichq
@esichq